# বৰ্ণাঢ্য ব্যক্তিত্বৰ ক্ষুদ্ৰ দলিল স্বৰূপ অভিনন্দন গ্ৰন্থ :‘সমাজ আৰু সংস্কৃতি’

ডংবৰ্ণালীডেকা

অসমৰ লোকসংস্কৃতি সম্পৰ্কে চৰ্চা কৰা এমুঠিমান লোকৰ মাজত জিলিকি থকা লোকসংস্কৃতিৰ সাধনাত জীৱনৰ শেষ দিনলৈ ব্যস্ততাৰে সময় কটোৱা, যুৱ মনৰ অধিকাৰী ড° প্ৰবীণ চন্দ্ৰ দাস ছাৰৰ জন্ম হয় ১৯৪২ চনত হাজোৰ বামুণটেঙা গাঁৱত৷ তেখেতে নিজৰ জীৱনটিত জীৱিকাৰ বাবে চাকৰিৰ ভিন্ন ধৰণৰ সোৱাদ লৈ শেষত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ-কল্যাণ সঞ্চালক, শ্ৰেণীসমূহৰ সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰিছে৷ তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহৰ দীঘলীয়া তালিকাখনৰ ভিতৰত–‘The Blessed’, পুণ্যভূমি হাজো, মণিকূট, সুভদ্ৰাহৰণ নাটৰ সম্পাদনা, বব্ৰুবাহনৰ যুদ্ধ সম্পাদনা, অসমীয়া ভাষা-সাহিত্যৰ কথা, দুৰ্গাবৰী ৰামায়ণৰ সমীক্ষাত্মক সম্পাদনা, প্ৰসংগ লোকসংস্কৃতি, ববচা বনত বকুল বুটলি-বন বিৰিণাৰ ছাঁত-বসন্তৰ বাউলী বোকোচাত [৩টা পৰ্বৰ আত্মকথা], AHandbook of Folklore Material of North East India [যুটীয়াভাৱে], কৰণিৰ ফুল, হৰিবিলাস আগৰৱালাৰ ডায়েৰী সম্পাদনা, GRAMMAR OF ASSAMESELANGUAGE– Wiiliam Robinson Nathan Brown G FNicholall Knr যুটীয়াভাৱে সম্পাদনা৷

প্ৰবীণ চন্দ্ৰ দাসদেৱৰ মৃত্যু অসমৰ লোক-সাংস্কৃতিক জগতখনৰ বাবে এক অপূৰণীয় ক্ষতি৷ স্বৰ্গীয় মহেন্দ্ৰ দাস আৰু হিৰণবালা দাসৰ সুযোগ্য পুত্ৰ ড° প্ৰবীণ চন্দ্ৰ দাসৰ জীৱনৰ ৰূপৰেখা অংকনেৰে ২০২২ চনত গুৱাহাটীৰ ৰূপ কমিউনিকেচনে ‘‘সমাজ সাহিত্য সংস্কৃতি ডঃ প্ৰবীণ চন্দ্ৰ দাস অভিনন্দন গ্ৰন্থ’’ নামকৰণেৰে গ্ৰন্থখন প্ৰকাশ কৰি উলিয়ায়৷ গাৰীগাঁৱৰ এন. আৰ. পাব্লিকেছনৰ মুদ্ৰণ, ড° সঞ্জীৱ বৰাৰ কলাসুলভ প্ৰচ্ছদেৰে গ্ৰন্থখনি সম্পাদনা কৰে পূব কামৰূপ মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক ড° উমেশ চন্দ্ৰ ডেকা আৰু ড° নৱজিৎ ডেকাই৷ প্ৰায় ৭০ গৰাকীতকৈ অধিক লেখকৰ আকৰ্ষণীয় শিৰোনামেৰে আগবঢ়োৱা প্ৰবন্ধসমূহ চাৰিটা শিতানত ভগাই অভিনন্দন গ্ৰন্থখনিক সজাই তোলা হৈছে৷

প্ৰথম শিতান ‘প্ৰবন্ধ’। ইয়াত প্ৰায় ১৪টি মননশীল আলোচনা সন্নিৱিষ্ট কৰা হৈছে৷ ‘‘মৰাণ জনগোষ্ঠী আৰু মটক বা মোৱামৰীয়া সমাজ’’ শীৰ্ষক প্ৰথম প্ৰবন্ধটিত ড° উপেন ৰাভা হাকাচামদেৱে উজনি অসমৰ দুটি প্ৰধান জনগোষ্ঠী ‘মৰাণ’ আৰু ‘মটক’সকলৰ উৎপত্তি, ইতিহাস, জনগোষ্ঠীয় আচাৰ-ব্যৱহাৰ, ধৰ্মমত ইত্যাদি দিশৰ লগতে দুয়োটি জনগোষ্ঠীৰ মিল-অমিলবোৰো ফঁহিয়াই দেখুৱাই সাম্প্ৰতিক সময়ত তেওঁলোকে সন্মুখীন হোৱা জাতীয় পৰিচয়ৰ সংকট সম্পৰ্কেও আভাস দিবলৈ চেষ্টা কৰিছে৷ ‘‘অসমীয়া লোকায়ত বাগভঙ্গীত ৰামায়ণী প্ৰবাদৰ প্ৰসঙ্গ’’ শীৰ্ষক প্ৰবন্ধত ড° খগেশ সেন ডেকাই অসমীয়া ভাষাৰ লোকায়ত ৰূপটোত প্ৰায়ে ব্যৱহাৰ হোৱা ৰামায়ণ-প্ৰসংগযুক্ত প্ৰবাদ-প্ৰবচনসমূহে বাগভংগীক কেনেকৈ প্ৰভাৱিত কৰিছে সেয়া উদাহৰণেৰে সৈতে সুন্দৰকৈ বিশ্লেষণ আগবঢ়াইছে৷ ‘‘অসমৰ পৰম্পৰাগত খেল-ধেমালি ঃ স্বৰূপ আৰু সামাজিক উৎস বিচাৰ’’ নামৰ প্ৰবন্ধত ড° উমেশ চন্দ্ৰ ডেকাই অৱসৰ বিনোদনৰ সমল আৰু সামাজিক জীৱনৰ বিশিষ্ট উপাদান এই খেল-ধেমালি বা ক্ৰীড়া যে মানুহৰ কল্পনা আৰু বাস্তৱ জীৱনৰ ওপৰত ভিত্তি কৰি সৃষ্টি হৈছে সেয়া অসমৰ কেইটামান লৌকিক ক্ৰীড়াৰ প্ৰেক্ষাপটত বিশ্লেষণ কৰিছে৷ ড° পৰমানন্দ মজুমদাৰে তেওঁৰ ‘‘অসম আৰু বংগৰ সংস্কৃতিৰ সেতু ভূপেন হাজৰিকাঃ দৃষ্টি আৰু সৃষ্টি’’ নামৰ প্ৰবন্ধত ভূপেন হাজৰিকাৰ মৌলিক আৰু অনূদিত, নিজৰ বাংলা গীতৰ আলোচনা প্ৰসংগত বৃহত্তৰ বাঙালী সমাজৰ সৈতে অসমৰ সম্প্ৰীতিৰ এনাজৰীডাল দৃঢ় কৰাৰ মূল কাৰক যে হাজৰিকাৰ গীত আৰু জীৱনৰ আদৰ্শ সেয়া উল্লেখ কৰিছে৷ অৱশ্যে এনে প্ৰকাৰ আলোচনা প্ৰায় লক্ষ্য কৰা নাযায়৷ তাৰ পাছত ‘‘অসমত প্ৰকৃতি-অনুকূল পৰ্যটনৰ সম্ভাৱনা’’ৰ বিষয়ে অসমৰ গুৰুত্বপূৰ্ণ পৰ্যটনস্থলীসমূহৰ পিনে আঙুলিয়াই বৰ্তমান এইবোৰে কি ধৰণৰ অসুবিধা আৰু প্ৰত্যাহ্বানৰ মুখামুখি হৈছে৷ লগতে তাক মষিমূৰ কৰি সম্ভাৱনাৰ দুৱাৰ কেনেদৰে খুলিব পৰা যায় সেইটো ৰাজ্য চৰকাৰে দৃষ্টি দি এই পৰ্যটনক এটি উদ্যোগলৈ পৰ্যবসিত কৰিবলৈ কি উপায় অৱলম্বন কৰা উচিত তাক উনুকিয়াই দিছে ড° অৱনী কুমাৰ ভাগৱতীয়ে৷ ড° অৰবিন্দ ৰাজখুৱাই ‘‘বুঢ়ী আইৰ সাধুত জাতীয় জীৱন আৰু মননৰ ৰেঙণি’’ প্ৰবন্ধটিত লক্ষ্মীনাথ বেজবৰুৱাৰ সাধুকথাবোৰত লোককথা সম্পৰ্কে থকা দৃষ্টিভংগীৰ বিষয়ে উনুকিয়াই সাধুবোৰত প্ৰতিফলিত হোৱা অসমৰ জাতীয় জীৱন আৰু মননৰ দিশত কিছু ব্যাখ্যা আগবঢ়াইছে৷ ‘‘উজনি অসমৰ লোক পৰিৱেশ্য কলাঃ লোকনৃত্য আৰু লোকনাট্যকলাৰ বিশেষ উল্লিখনেৰে’’ বিষয়ৰ আলোচনাটিত ড° চন্দ্ৰকমল চেতিয়াই পোনতে পৰিচয় আৰু তাৰ পাছত উজনি অসমৰ জনজাতীয় লোক পৰিৱেশ্য কলাসমূহৰ সংযুতি, প্ৰসংগ আৰু পৰিৱেশন শৈলীৰ আলোচনা দাঙি ধৰিছে৷ পৰৱৰ্তী আলোচনাত ড° পৰিতোষ চক্ৰৱৰ্তীয়ে ‘‘গোৱালপৰীয়া লোকগীতত মৈষ-মৈষাল, হাতী-মাহুত-বাথান আৰু বাইচাল’’ প্ৰসংগ উত্থাপন কৰি গোৱালপৰীয়া উপাদানে গীতবোৰক বিশেষ মাত্ৰা প্ৰদানত কি ভূমিকা লৈছে সেয়া উদাহৰণেৰে সৈতে দেখুৱাইছে৷ ‘‘অসমীয়া সম্বন্ধ বাছক তথা সম্বোধন বাছক শব্দবোৰৰ বৈশিষ্ট্য আৰু প্ৰকাৰ্য’’ শীৰ্ষক ড° সুনীল কুমাৰ দত্তৰ প্ৰবন্ধটিত অসমীয়া ভাষাত ব্যৱহাৰ হোৱা সম্বন্ধ বাছক

আৰু সম্বোধন বাছক শব্দবোৰৰ ভাষা-বৈজ্ঞানিক বৈশিষ্ট্যৰ উল্লেখ কৰি সুন্দৰ আলোচনা আগবঢ়াইছে। বিহুগীত আৰু নৃত্য আমাৰ প্ৰাণৰো প্ৰাণৰ। ইয়াৰ অবিহনে আমাৰ অস্তিত্বই নাই। এই বিহুগীতসমূহৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দগত বৈশিষ্ট্যসমূহৰ বিষয়ে উদাহৰণ দি ''বিহুগীতৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য'' প্ৰবন্ধত ড° দিগন্ত পাঠকে বহলাই আলোচনা কৰিছে। দৰং জিলাত পৰম্পৰাগতভাৱে চলি অহা অসংখ্য গীত-মাতবোৰ অসমৰ লোকসংস্কৃতিৰ ভঁৰাললৈ বৈশিষ্ট্যপূৰ্ণ অৱদান। ''দৰঙৰ নাঙেলি গীত'' এই আলোচনাটিত ড° দীপামণি বৰুৱা দাসে উদাহৰণসহ প্ৰাচীন কালৰে পৰা দৰঙত প্ৰচলিত লোকপৰিৱেশ্য কলাবিধৰ পৰিচয় দাঙি ধৰি উৎপত্তি, বিষয়বস্তুৰ পৰিৱেশনৰ স্থান-কাল আৰু পদ্ধতিৰ বিষয়ে আলোচনা কৰিছে। সমাজতত্ত্বৰ আলোকত লক্ষ্মীনন্দন বৰাৰ চুটিগল্পৰ নাৰী সম্পৰ্কীয় ধাৰণাৰ বিষয়ে ক'বলৈ গৈ বৈধব্যৰ জীৱনৰ বৰ্ণনা দি ''লক্ষ্মীনন্দন বৰাৰ চুটিগল্পত বৈধব্য-ভাৱনাঃ এটি ৰূপৰেখা'' শিৰোনামৰ প্ৰবন্ধত ড° জয়ন্ত পাঠকে সুন্দৰকৈ আলোচনা কৰিছে। ''ডঃ প্ৰফুল্ল দত্ত গোস্বামীৰ মন্ত্ৰ বিষয়ক চিন্তন'' বিষয়েৰে আভা ভৰালীয়ে 'জাপানৰ জনকৃষ্টি' নামৰ গ্ৰন্থখনিত থকা মন্ত্ৰ প্ৰবন্ধটিৰ আধাৰত অসমীয়া মন্ত্ৰ আৰু মন্ত্ৰ সাহিত্যৰ ইতিহাস, বিশ্ব প্ৰেক্ষাপটত মন্ত্ৰৰ ঐতিহ্য, প্ৰভাৱ আদিৰ আলোচনা ইয়াত অন্তভুৰ্ক্ত কৰিছে। লীলাধৰ হাজৰিকাই অতি গুৰুত্বপূৰ্ণ বিষয় এটি উপস্থাপন কৰিছে। ''ডঃ প্ৰবীণ চন্দ্ৰ দাসদেৱৰ প্ৰাচীন পুথি সংগ্ৰহ আৰু সম্পাদনা'' শীৰ্ষক প্ৰবন্ধটিত ড° দাসৰ দ্বাৰা সম্পাদিত ''মণিকূট মাধৱবৰ্ণন, দুৰ্গাবৰী ৰামায়ণ, মনকৰ আৰু দুৰ্গাবৰ বিৰচিত পদ্মাপুৰাণ পোঞাৰ পাঞ্চালি'' পুথিকেইখন সামৰি আলোচনা আগবঢ়াইছে।

দ্বিতীয় শিতান 'মন্থন'। ইয়াত ড° দাসৰ কেইখনমান বছা বছা পুথি যেনেঃ ''পুণ্যভূমি হাজো, অসমীয়া ভাষা আৰু সাহিত্যৰ কথা, কৰণিৰ ফুল, বন বিৰিণাৰ ছাঁত, ববচা বনত বকুল বুটলি আৰু বসন্তৰ বাউলী বোকোচাত'' সম্পৰ্কত আলোকপাত কৰা হৈছে। হিন্দু, ইছলাম আৰু বৌদ্ধধৰ্মীৰ মিলনভূমি হাজোৱে পৃথিৱীৰ সকলো প্ৰান্তৰ লোকক আকৰ্ষিত কৰে বুলি কোৱা হৈছে। ড° দাসৰ গৱেষণা কৰ্মৰ ফলশ্ৰুতিত এয়া আমাৰ বাবে আশীৰ্বাদ হৈ পৰিছে। হাজোৰ নাম আৰু ঐতিহাসিক পটভূমি, হাজোৰ তীৰ্থস্থান, পঞ্চতীৰ্থৰ দৰ্শন পদ্ধতি– দেৱতাৰ ধ্যান আৰু প্ৰণাম মন্ত্ৰ, হাজো আৰু বৌদ্ধ জগত, ইছলাম জগত, পোৱামক্কা যাত্ৰা উৎসৱ, দেৱদাসী, বুলবুলি যুঁজ, হাজোৰ শিল্প ইত্যাদি বিষয়ত কৰা আলোচনাৰ ইয়াত আভাস দিয়া হৈছে। ই গৱেষকৰ এখনি উত্তম হাতপুথি বুলিও উল্লেখ কৰা হৈছে। 'কৰণিৰ ফুল'ত ১১টা কৰণি আছে। 'ববচা বনত বকুল বুটলি'ত ব্যক্তিকেন্দ্ৰিক অভিজ্ঞতাকেই তুলি ধৰা নাই। সমাজকেন্দ্ৰিক আচাৰ-আচৰণকো মনোমোহা কৰি পাঠকলৈ আগবঢ়াই দিছে। অতীতৰ বৰ্ণিল গাথা, হেৰুওৱা জীৱনৰ বহুতো ঘটনা-পৰিঘটনা এই আত্মজীৱনীখনত আছে। লগতে হাজোৰ ঐতিহ্য আৰু পৰম্পৰাকো দৰ্শাইছে। 'বন বিৰিণাৰ ছাঁ' গ্ৰনথখনত ৪৫টা সৰু সৰু খণ্ডত বৰ্ণনা কৰিছে। 'বসন্তৰ বাউলী বোকোচাত' খনিক জালুকবাৰীৰৰ অলেখ তথ্যৰে সমৃদ্ধ এখন ঐতিহাসিক সমলযুক্ত সুন্দৰ গ্ৰন্থ বোলা হৈছে। এনেধৰণৰ আত্মকথা সাধাৰণতে কম দেখা যায়। ইয়াৰ পৰৱৰ্তী 'দৃষ্টিকোণ' শিতানত লক্ষ্মীনন্দন বৰা, ভৱপ্ৰসাদ চলিহা, দীপ্তি ফুকন পাটগিৰি, খগেশ সেন ডেকা, লোপা বৰুৱা, মৃণাল বৰা, লীলাধৰ হাজৰিকা, কুশল হাজৰিকা, শৰৎ চন্দ্ৰ ৰাভা আদি ব্যক্তিসকলৰ প্ৰবীণ চন্দ্ৰ দাসদেৱৰ সৈতে থকা সান্নিধ্য আৰু অভিজ্ঞতা বৰ্ণনা কৰা হৈছে। 'কাব্যিক নিৰ্মিতি' শিতান ১২জন কবিৰ মন পৰশা কবিতাৰ দ্বাৰা নিৰ্মাণ কৰা হৈছে।

তেখেতৰ শিষ্য অসমৰ প্ৰখ্যাত কণ্ঠশিল্পী প্ৰয়াত বিজয়লক্ষ্মী দাসে ৰচনা কৰা এটি গীতেৰে গ্ৰন্থখনিৰ শেষপৃষ্ঠা সজাই তোলা হৈছে। ৪৪৭ পৃষ্ঠাৰ এই অভিনন্দন গ্ৰন্থখনিৰ শেষপৃষ্ঠাত দাস ছাৰৰ 'জীৱন আৰু কৃতি'ৰ গুৰুত্বপূৰ্ণ তথ্য যোগ দিয়া হৈছে। মুঠতে, সুন্দৰভাৱে পৰিকল্পনাৰে আটোমটোকাৰি ৰূপ দি লোকসমাজলৈ 'সমাজ সাহিত্য সংস্কৃতি' অভিনন্দন গ্ৰন্থখনি আগবঢ়াই দি সম্পাদকদ্বয়ৰ সুৰুচিপূৰ্ণ কাৰ্যৰ পৰিচয় দাঙি ধৰিছে। আনহাতে ড° প্ৰবীণ চন্দ্ৰ দাসদেৱৰ জীৱনৰ বিভিন্ন দিশ আগুৰি কামফেৰা সম্পন্ন কৰাটো এটা চেলেঞ্জৰ নিচিনা। গতিকে কৌশলী হাতেৰে ইয়াক কৰিবলৈ যাওঁতে নি(য় সম্পাদকে যথেষ্ট গৃহকৰ্ম কৰিবলগীয়া হৈছিল। যি নহওক, এইক্ষেত্ৰত দুয়োগৰাকী সম্পাদক ক্ৰমে ড° উমেশ চন্দ্ৰ ডেকা আৰু ড° নৱজিৎ ডেকাৰ শলাগ ল'বই লাগিব। ৪৪৭ পৃষ্ঠাৰে সামৰণি মৰা আটকধুনীয়া বেটুপাতযুক্ত গ্ৰন্থখনিৰ মূল্য ৪০০য- টকা যথাৰ্থ হৈছে। একাধাৰে শিক্ষাবিদ, শিক্ষা প্ৰশাসক, সমাজ সংগঠক আৰু সমাজহিতৈষী হিচাপে নিজকে প্ৰতিষ্ঠিত কৰি অসমৰ লোকসংস্কৃতি বিদ্যা চৰ্চাৰ ক্ষেত্ৰখনলৈ যি অৱদান আগবঢ়াই গৈছে অনাগত দিনত হয়তো সেই স্থান পূৰ কৰিব পৰা এজন ওলাব বুলি ক'ব নোৱাৰি। সেউজ মনৰ দুৰন্ত তৰুণ ড° প্ৰবীণ চন্দ্ৰ দাসৰ নাম অসমৰ বিশিষ্ট লোকসংস্কৃতিবিদসকলৰ শাৰীত জিলিকি থাকক।